প্ৰেছ বাৰ্তা

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম**

**ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস**

# অসমৰ পঞ্চায়তলৈ ৰাষ্ট্ৰীয় স্বীকৃতি

# তিনিটা বঁটাৰে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকিল অসম

# মন্ত্ৰী নৱ কুমাৰ দলেৰ অভিনন্দন

**গুৱাহাটী ২৩ এপ্ৰিলঃ** বিভিন্ন ক্ষেত্ৰত দেখুওৱা সফলতাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিটা বঁটা লাভ কৰি ৰাষ্ট্ৰীয় স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছে অসমৰ তিনিখনকৈ গাঁও পঞ্চায়তে। উল্লেখযোগ্য যে প্ৰতি বছৰে ২৪ এপ্ৰিলত পালন কৰা ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন দিশত সফলতা অৰ্জন কৰা পঞ্চায়তসমূহলৈ ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰণালয়ে বঁটা আগবঢ়াই আহিছে। যোৱা কেইবছৰৰ দৰে এইবাৰো অসমে এই পুৰস্কাৰৰ তালিকাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সেই অনুসৰি নগাঁও জিলা পৰিষদৰ ৰহা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত শালমাৰা গাঁও পঞ্চায়তে নানাজী দেশমুখ ৰাষ্ট্ৰীয় গৌৰৱ গ্ৰাম পুৰস্কাৰ ২০২০, ধেমাজি জিলা পৰিষদৰ চিচিবৰ গাঁও আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত মালিনীপুৰ গাঁও পঞ্চায়তে গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা (GPDP) বঁটা ২০২০ আৰু ডিব্ৰুগড় জিলা পৰিষদৰ বৰবৰুৱা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বৰপথাৰ গাঁও পঞ্চায়তে শিশু বান্ধৱ (Child Friendly) গাঁও পঞ্চায়ত বঁটা লাভ কৰিছে।

ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱসৰ প্ৰাক্ সন্ধ্যা সমূহ পঞ্চায়ত প্ৰতিনিধি আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিকে অভিনন্দন জনাই প্ৰেৰণ কৰা এক বাৰ্তাত পঞ্চায়ত আৰু গ্ৰামোন্নয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে ভাৰত চৰকাৰৰ পৰা বিভিন্ন ক্ষেত্ৰত স্বীকৃতি লাভ কৰা তিনিওখন পঞ্চায়তলৈও আন্তৰিক অভিনন্দন জনাইছে। তেওঁ কয় যে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ লগত জড়িত ৰাজ্যৰ সকলো জন প্ৰতিনিধি, বিষয়া-কৰ্মচাৰীয়ে সেৱাৰ মনোভাৱেৰে কামত অগ্ৰসৰ হৈ সমগ্ৰ ৰাজ্যৰ পঞ্চায়তকে এই বঁটাৰ বাবে যোগ্য কৰি তুলিবলৈ যত্নপৰ হ'ব লাগে। তেওঁ আৰু কয় যে গাঁৱৰ উন্নয়ন হ'লেহে সঁচা অৰ্থত দেশৰ উন্নয়ন হ'ব আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে দেশৰ সুষম বিকাশ আৰু প্ৰগতি সুনিশ্চিত কৰিবৰ বাবেই ভাৰতৰ সংবিধানৰ ৭৩তম সংশোধনীৰ জৰিয়তে ভাৰতৰ জনগণক দেশৰ প্ৰশাসন যন্ত্ৰত তৃণমূল পৰ্যায়ৰ পৰা ভাগ লোৱাৰ অধিকাৰ প্ৰদান কৰা হৈছিল আৰু এয়া কাৰ্যকৰী হৈছিল ১৯৯৩ চনৰ ২৪ এপ্ৰিলৰ দিনটোত। গতিকে গাঁৱৰ উন্নয়নৰ বাবে আগশাৰীৰ ৰণুৱা হিচাপে তেওঁলোকৰ পৰিপক্কতা, নিষ্ঠা আৰু সক্ৰিয়তাৰ ওপৰত উন্নয়ন সম্পূৰ্ণ নিৰ্ভৰশীল। পঞ্চায়ত এলেকাৰ উন্নয়নৰ সমষ্ট দায়িত্ব এতিয়া পঞ্চায়তৰ ওপৰত। গতিকে এই ব্যৱস্থাৰ লগত জড়িত ব্যক্তিসকলে সকলো বিষয়ৰ জ্ঞান আহৰণ কৰি তথ্য-প্ৰযুক্তিকে আদি কৰি সকলো দিশতে পৰিপক্কতা আহৰণ কৰিব লাগিব। তেতিয়াহে সঁচা উন্নয়ন সম্ভৱ হ'ব। নিজৰ কৰণীয় কামৰ

প্ৰতি নিষ্ঠাবান হ'লে, দায়বদ্ধ হ'লে নজনা কথাখিনিও জানি ল'বলৈ বেছি সময় নালাগে। আগন্তুক দিনত বৰ্তমানতকৈও অধিক কৰ্মদক্ষতা দেখুৱাব বুলি মন্ত্ৰীগৰাকীয়ে আশা কৰাৰ লগতে সকলোৰে সক্ৰিয় সহযোগিতাত পঞ্চায়তৰ অধীনত লোৱা আৱাস গৃহ, নিয়োগ নিশ্চিতি, পেন্সন, স্বনিয়োজন বা আন্তঃগাঁথনি উন্নয়ন আদি যিকোনো আঁচনিৰে ফলপ্ৰসূ ৰূপায়ণেৰে আগন্তুক দিনত গ্ৰাম্য উন্নয়নত এক নজিৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

*এম আৰ ডি/২৩-০৪-২০২০*